# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-10-2024
**Time :** 1800 Hrs.

## *Assamese Evening Bulletin*

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অধীনত হ'বলগীয়া চতুৰ্থ বৰ্গৰ পদসমূহৰ পৰীক্ষাৰ বাবে আবেদনকাৰী প্ৰাৰ্থীসকলে কাইলৈৰ পৰা প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে ইতিমধ্যে জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org আৰু অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in ৰ পৰা ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে, অহা ২৭ অক্টোবৰত চতুৰ্থবৰ্গৰ পদসমূহৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। সেইদিনা পুৱা ৯ বজাৰ পৰা চাৰে ১১ বজালৈ আই টি আই উত্তীৰ্ণসকলকে ধৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰ্যায়ৰ পদসমূহৰ বাবে আৰু দিনৰ ডেৰ বজাৰ পৰা বিয়লি চাৰি বজালৈ অষ্টম শ্ৰেণী পৰ্যায়ৰ পদসমূহৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। নিৰ্দেশনাত উল্লেখ থকা অনুসৰি লিখিত পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলে আধাৰ কাৰ্ড, পেন কাৰ্ড, ড্ৰাইভিং লাইছেন্স, ভোটাৰ কাৰ্ডকে ধৰি যিকোনো এখন ফটোযুক্ত পৰিচয়-পত্ৰ, প্ৰৱেশপত্ৰৰ সৈতে দেখুৱাব লাগিব লগতে প্ৰৱেশপত্ৰৰ সন্নিৱিষ্ট পৰীক্ষাৰ নীতি-নিয়মসমূহ প্ৰাৰ্থীসকলক মানি চলিবলৈ কোৱা হৈছে। চতুৰ্থবৰ্গৰ মুঠ পদৰ সংখ্যা হৈছে পাঁচ হাজাৰ আৰু অহা ২৭ অক্টোবৰত মুঠ ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী লিখিত পৰীক্ষাত অৱতীৰ্ণ হ'ব।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত আজি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অসম অলিম্পিক সন্থাৰ নৱগঠিত কাৰ্যনিৰ্বাহক পৰিষদৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অনাগত সময়ত ৰাজ্যখনত ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলসমূহত প্ৰতিনিধিত্ব কৰিব পৰাকৈ অধিকসংখ্যক ক্ৰীড়া প্ৰতিভা পোহৰলৈ অনাৰ বাবে এটা কাৰ্যকৰী গোট গঠনৰ সিদ্ধান্ত লোৱা হয়। ক্ৰীড়া বিশেষজ্ঞ আৰু প্ৰবীন খেলুৱৈসকলক লৈ এই গোটটো গঠন কৰা হ'ব বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰে। তদুপৰি অনাগত সময়ত ক্ৰীড়া প্ৰতিযোগিতাৰ অয়োজন সন্দৰ্ভতো আলোচনা কৰা হয়। এই বৈঠকত উত্তৰাখণ্ডত হ'বলগীয়া পৰৱৰ্তী ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে অসমৰ দলটোৰ প্ৰস্তুতি আৰু আনুষংগিক দিশসমূহ পৰ্যালোচনা কৰা হয়। এই বৈঠক সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী সোণোৱালে কয়-

**-বাইট-**

আজিৰ বৈঠকত অসম অলিম্পিক সন্থাৰ উপ-সভাপতি তথা মন্ত্ৰী পীযূষ হাজৰিকা আৰু জয়ন্ত মল্লবৰুৱা, সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰকে ধৰি সন্থাৰ বিষয়ববীয়া উপস্থিত থাকে।

০০০০০০০

ঐতিহাসিক অসম আন্দোলনৰ পটভূমিত জন্মলাভ কৰা আঞ্চলিক দল অসম গণ পৰিষদ দলে আজি ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। **ডিব্ৰুগড়** জিলাৰ লাহোৱাল-চাবুৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত

জেৰাই গাঁৱত আজি দিনযোৰা কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে দলটোৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। দলৰ সভাপতি অতুল বৰাই পতাকা উত্তোলনেৰে আৰম্ভ কৰা এই কাৰ্যসূচীত জিলা সমিতিসমূহৰ সভাপতিসকল আৰু দলৰ আন জ্যেষ্ঠ নেতাসকলে ৪০ খন পতাকা উত্তোলন কৰে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত শ্বহীদ তৰ্পণ কৰি দলৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই অসম আন্দোলনৰ সময়ত শ্বহীদসকলকে ধৰি দলৰ অন্যান্য নেতা-কৰ্মীসকলৰ অৱদান স্মৰণ কৰে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা সভাত ভাষণ দি দলৰ সভাপতি শ্ৰী বৰাই কয় যে, অসম গণ পৰিষদৰ প্ৰগতিশীল জাতীয়তাবাদী দৰ্শনেই ৰাইজৰ আস্থা বৃদ্ধিৰ মূল কাৰক। দলটোৰ জন্মৰ আঁৰত অজস্ৰজনৰ সংগ্ৰাম আৰু আত্মত্যাগৰ বিষয়েও সভাপতিগৰাকীয়ে স্মৰণ কৰে। সভাত কাৰ্যকৰী সভাপতি শ্ৰী মহন্তৰ উপৰি দলৰ জ্যেষ্ঠ নেতা তথা সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু ফণীভূষণ চৌধুৰী, সাধাৰণ সম্পাদক সুনীল ৰাজকোঁৱৰ, বিধায়ক তথা নেতা পৃথ্বীৰাজ ৰাভা আৰু পোনাকণ বৰুৱাকে ধৰি বহু ব্যক্তি উপস্থিত আছিল।

ইফালে **গোলাঘাটতো** দলৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। জিলাখনৰ বোকাখাটত দিনযোৰা কাৰ্যসূচীৰে এই প্ৰতিষ্ঠা দিৱসটি পালন কৰা হয়। **ৰঙিয়া** বিধানসভা সমষ্টিৰ দলৰ মুখ্য কাৰ্যালয়তো প্ৰতিষ্ঠা দিৱস দিনযোৰা কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে আয়োজিত সভাত সাংসদ দিলীপ শইকীয়া উপস্থিত থাকে। **মাজুলী** জিলা অসম গণ পৰিষদৰ মুখ্য কাৰ্যালয়ত দিনযোৰা কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস পালন কৰা হয়।

0000000

**সমাপ্ত**